**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-----------------------**

১।  লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। ২০ মে'ত ৪৯টা সমষ্টিত হ'ব ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ লগতে ২৫ মে'ত ষষ্ঠ পৰ্যায়ৰ আৰু অহা ১ জুনত সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণ।

২।  ৰাজ্যৰ কেইবাঠাইৰ লগতে গুৱাহাটী মহানগৰীতো প্ৰৱল ধুমুহা-বৰষুণৰ ফলত জনজীৱন ব্যাহত।

৩।  আই আই টি গুৱাহাটীত **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** সন্দৰ্ভত সন্মিলনৰ আয়োজন।

৪।  গুৱাহাটী বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত কাইলৈ হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাক লৈ গুৱাহাটী যান বাহন আৰক্ষীৰ বিশেষ নিৰ্দেশনা।

**আৰু**

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছ্ ৰয়েল, চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। পঞ্চম পৰ্যায়ত অহা ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

আজি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাত বিজেপিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদেয় হাৰিয়ানাৰ আম্বালাত বিজেপিৰ প্ৰাৰ্থী বান্তো কাটাৰীয়াৰ হৈ ২ বাজি ৪৫ মিনিট ৰেলীত অংশ ল'ব আনহাতে আৰু ছ'নিপাটৰ গ'হানাত মোহন লাল বাডলীৰ হৈ বিয়লি ৪ বাজি ৪৫ মিনিটত ৰেলীত অংশ ল'ব। ২৫ মে'ত হাৰিয়ানাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ইপিনে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কালি একেৰাহে দ্বিতীয় দিনৰ বাবে উত্তৰ প্ৰদেশত প্ৰচাৰ অভিযানত ভাগ লয়। শ্ৰীমোদীয়ে বাৰাবাংকী, ফতেহপুৰ আৰু হামিৰপুৰত ৩খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ফতেহপুৰৰ নিৰ্বাচনী সভাত শ্ৰীমোদীয়ে কয় যে পূৰ্বতে অন্যান্য চৰকাৰৰ শাসনকালত উত্তৰ প্ৰদেশ অপৰাধ আৰু দুৰ্নীতিৰ বাবে কুখ্যাত আছিল যদিও বৰ্তমানে ৰাজ্যখন প্ৰগতিৰ দিশত অগ্ৰসৰ হৈছে।

বিজেপিৰ নেতাগৰাকীয়ে সন্ধিয়া মহাৰাষ্ট্ৰৰ দক্ষিণ মধ্য মুম্বাই সংসদীয় সমষ্টিতো নিৰ্বাচনী সমাবেশত অংশ লয়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি উত্তৰ প্ৰদেশ আৰু ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীশ্বাহে ঝাৰখণ্ডৰ ৰাঁচী লোকসভা সমষ্টিতো ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী

তথা বিজেপি নেতা যোগী আদিত্য নাথে বলৰামপুৰ, বাৰাবাংকী, লক্ষ্ণৌ আৰু অযোধ্যাত দলৰ হকে প্ৰচাৰ চলায়। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ওড়িশাৰ বলানগীৰত নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই একেৰাহে দুদিন ওড়িশাত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱৰ সৈতে ৰায়বৰেলী আৰু আমেথিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই মুম্বাইত কালি আই এন ডি আই মিত্ৰজোঁটৰ এখন জনসভাত ভাগ লয়।

০০০০০০

সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ কালি সামৰণি পৰে। এই পৰ্যায়ত সাতখন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিৰ বাবে ১ জুনত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম তথা অন্তিম পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পাঞ্জাবৰ ১৩খনকৈ, পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮খন, ওড়িশাৰ ৬খন, হিমাচল প্ৰদেশৰ ৪খন, ঝাৰখণ্ডৰ তিনিখন আৰু কেন্দ্ৰীয়শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৪ জুনত আটাইকেইটা পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০০০

আইন আৰু ন্যায় মন্ত্ৰালয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত **ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ** সন্দৰ্ভত এখন সন্মিলনৰ আয়োজন কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা। অনুষ্ঠানত উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি ঋষিকেশ ৰয়, গৌহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ৰ লগতে চিকিম উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিশ্বনাথ চমাদ্দাৰ সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে আইন আৰু ন্যায় মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালেও অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ইপিনে, আজি সন্ধিয়া ৫ বাজি ২০ মিনিটৰ পৰা আকাশবাণীযোগে ৰাষ্ট্ৰীয় সন্মিলনৰ পোনপটীয়া প্ৰচাৰ কৰা হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৬ বাজি ৪৫ মিনিটৰ আঞ্চলিক বাতৰি ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ কৰা হ'ব। সেইদৰে আজি সন্ধিয়া ৭ বাজি ১০ মিনিটৰ দিল্লীৰ অসমীয়া বাতৰি ৭ বাজি ৩০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে, আজি সন্ধিয়া ৬ বজাৰ বাতৰি প্ৰচাৰ কৰা নহ'ব।

০০০০০০

বিগত কেইবাদিনৰ গ্ৰীষ্ম প্ৰৱাহৰ অন্তত কালি সন্ধিয়া গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ কেইবাঠাইতো অহা প্ৰবল ধুমুহা-বৰষুণে জনজীৱন স্তব্ধ কৰি তোলে। হঠাতে অহা ধুমুহা আৰু বৰষুণৰ ফলত জনসাধাৰণৰ আহ-যাহ ব্যাহত হয়। এই প্ৰচণ্ড ধুমুহাত গুৱাহাটীৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি হোৱা পৰিলক্ষিত হৈছে। চানমাৰীৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদৰ ভিতৰত, নুনমাটিৰ লুইত নগৰ, সাতগাঁও, পল্টন বজাৰ, জু-ৰোড, দীঘলীপুখুৰী পাৰ, গুৱাহাটী শোধানাগাৰ আদি কৰি আন কেইবাটাও স্থানত সৰু-বৰ কেইবাডালো গছ পথৰ ওপৰতে উভালি ভাঙি পৰাত যান-বাহনৰ চলাচল সম্পূৰ্ণ ৰূপে ব্যাহত হোৱাৰ লগতে তীব্ৰ যান-জঁটৰো সৃষ্টি হয়। একে সময়তে ধুমুহাই উৰুৱাই অনা টিনপাত, হৰ্ডিং, বেনাৰ আদি য'তে ত'তে বাগৰি পৰাৰ ফলত পথৰ দাঁতিত আবদ্ধ হৈ থকা লোকসকলৰ মাজত আতংকই বিৰাজ কৰে। আনহাতে, মহানগৰীৰ কেইবাটাও উল্লেখযোগ্য স্থানত বিদ্যুৎ যোগান ব্যাহত হৈ থকাত অঞ্চলসমূহ অন্ধকাৰত বুৰ গৈ থাকে। উল্লেখযোগ্য যে, নিশাৰ ভাগলৈ

প্ৰশাসন, মহানগৰ আৰক্ষী, অগ্নি নিৰ্বাপক বাহিনী, এ পি ডি চি এল, এছ্ ডি আৰ এফকে ধৰি দায়িত্ববাহী বিভাগসমূহে বাট পথ মোকলোৱাৰ লগতে বিদ্যুৎ সংযোগ পুনৰ যোগান ধৰাৰ বাবে চেষ্টা অব্যাহত ৰাখে।

আনহাতে, বাক্সা জিলাৰ শালবাৰী অঞ্চলত ধুমুহাত প্ৰকাণ্ড গছ্ উঘালি পৰাৰ ফলত শালবাৰী-মানাহ সংযোগী পথত যাতায়ত বন্ধ হৈ পৰাৰ লগতে বিদ্যুতৰ তাঁৰ ছিগি বিদ্যুৎ সেৱা ব্যাহত হোৱা বুলি স্থানীয় সংবাদদাতাই জানিবলৈ দিয়ে।

ইপিনে, বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ আগলি বতৰা অনুসৰি অসমৰ লগতে উত্তৰ-পূবৰ আন কেইবাখনো ৰাজ্যত ধুমুহা-বৰষুণৰ সম্ভাৱনা আছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, নাগালেণ্ড, মণিপুৰ, ছিকিম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে সোমবাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে দাক্ষিণাত্যত ২৩ মে'লৈকে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে দেশৰ উত্তৰ-পশ্চিম, মধ্য আৰু পূব অংশ পৰৱৰ্তী কেইদিনমানৰ বাবে গ্ৰীষ্মপ্ৰবাহৰ সন্মুখীন হ'ব পাৰে বুলি সকীয়াই দিছে। বিভাগ প্ৰকাশ কৰা মতে, ৰাজস্থান, পাঞ্জাৱ, হাৰিয়ানা আৰু দিল্লীত মঙলবাৰেলৈকে গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থকাৰ সম্ভাৱনা আছে।

০০০০০০

ধানখেতিৰ বাবে বিখ্যাত অসমৰ তিতাবৰৰ খেতিপথাৰৰ পৰাই ধানখেতিৰ এক নতুন বিপ্লৱৰ সূচনা হৈছে। যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ তিতাবৰ আঞ্চলিক ধান গৱেষণা প্ৰতিষ্ঠানে বৰ্ণসংকৰ ধানৰ উদ্ভাৱনেৰে এক নতুন বিপ্লৱৰ সূচনা কৰিছে। প্ৰতিষ্ঠানটোৱে শেহতীয়াকৈ ৩ বিধ অধিক উৎপাদনক্ষম ধান উদ্ভাৱন কৰিছে। **প্ৰচুৰ, শতাব্দী** আৰু **পাটকাই** নামৰ এই নতুন ধানৰ জাতকেইটাই যোৱা তিনিটা দশক ধৰি অসমৰ ধান খেতিপথাৰ দখল কৰি ৰখা ৰঞ্জিত ধানৰ ঠাই ল'ব বুলি ধাৰণা কৰা হৈছে। এই ধান কেইবিধ বিঘাই প্ৰতি ২২ৰ পৰা ২৫ মোন পৰ্যন্ত উৎপাদন হ'ব বুলি বিজ্ঞানীসকলে দাবী কৰিছে। উল্লেখযোগ্য যে, এই ধান কেইবিধৰ উৎপাদন ৰঞ্জিত ধানতকৈ ১০ গুণ বেছি হোৱাৰ লগতে মিহি পৰিষ্কাৰ আৰু আকাৰত সৰু বুলি প্ৰতিষ্ঠানটোৰ মুখ্য বিজ্ঞানী ডং সঞ্জয় কুমাৰ চেতিয়াই প্ৰকাশ কৰে। ১৫০ দিনত পূৰঠ হোৱা এই ধান কেইবিধ পানী নথকা বা জলসিঞ্চনৰ ব্যৱস্থা নথকা কৃষি পথাৰসমূহৰ বাবে উপযোগী হ'ব। আনহাতে তিতাবৰ কৃষি গৱেষণা প্ৰতিষ্ঠানৰ বিষয়াই নতুনকৈ উদ্ভাৱণ কৰা এই তিনিবিধ ধানৰ বীজসমূহ প্ৰতিষ্ঠানত বিক্ৰী হৈ আছে বুলি জানিবলৈ দিয়ে।

০০০০০০

লোকসভা নিৰ্বাচন চলি থকাৰ মাজতে কেন্দ্ৰীয় চৰকাৰে মধুমেহ, হৃদৰোগ, যকৃতকে ধৰি কেইবাটাও ৰোগৰ সচৰাচৰ ব্যৱহৃত ৪১ বিধ ঔষধৰ মূল্য হ্ৰাস কৰা হৈছে। বিশ্বৰ ভিতৰতে সৰ্বাধিক ভাৰতবৰ্ষৰ ১০ কোটিতকৈও অধিক মধুমেহ ৰোগীয়ে চিকিৎসাৰ বাবে ইনচুলিনকে ধৰি বিভিন্ন ধৰণৰ ঔষধৰ ওপৰত নিৰ্ভৰশীল। এনে পৰিপ্ৰেক্ষিতত ডিপাৰ্টমেণ্ট অব ফাৰ্মাচিউটিকেল এণ্ড নেচনেল ফাৰ্মাচিউটিকেল প্ৰাইচিং অথৰিটীৰ নিৰ্দেশনা যোগে মুধেমেহ ৰোগৰ ঔষধৰ মূল্য হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, মধুমেহ ৰোগৰ ব্লাড গ্লু'কজৰ পৰিমাণ হ্ৰাস কৰিবলৈ ব্যৱহাৰ কৰা ঔষধৰ মূল্য পূৰ্বৰ ৩০ টকাৰ পৰা ১৬ টকালৈ হ্ৰাস কৰা হৈছে। আনহাতে এজমা আৰু হাওফাওৰ ৰোগৰ এটা ডজৰ মূল্য ৬ দশমিক ৬-২ টকালৈ হ্ৰাস কৰা হৈছে। এই ঔষধৰ মূল্য হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছতো এন পি পি এ ঔষধ কোম্পানীসমূহক ঔষধসমূহ প্ৰস্তুত কৰাৰ সময়ত ব্যয় সংকোচনৰ ওপৰত গুৰুত্ব দিবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে টি-২০ বিশ্বকাপৰ ৱাৰ্মআপ সময়সূচী ঘোষণা কৰিলে। সময়সূচী অনুসৰি অহা ১ জুনত বাংলাদেশৰ বিৰুদ্ধে ৱাৰ্মআপ মেচ খেলিব ভাৰতে। অষ্ট্ৰেলিয়া আৰু ৱেষ্ট ইণ্ডিজৰ ৱাৰ্মআপ অনুষ্ঠিত হ'ব ৩০ মে'ত। ৱাৰ্মআপৰ খেলসমূহ ৱেষ্ট ইণ্ডিজৰ দুটা ত্ৰিনিদাদ আৰু টবেগোৰ লগতে আমেৰিকাৰ ভিন্ন স্থানত অনুষ্ঠিত হ'ব। ২৭ মে'ৰ পৰা ১ জুনলৈ টি-২০ বিশ্বকাপৰ ৱাৰ্মআপ খেলসমূহ অনুষ্ঠিত হ'ব। টেষ্ট খেলা দেশসমূহৰ ভিতৰত অষ্ট্ৰেলিয়া, শ্ৰীলংকা, বাংলাদেশ, আয়াৰলেণ্ড আৰু আফগানিস্তানে দুখনকৈ প্ৰস্তুতি মেচ খেলিব। ইয়াৰ বিপৰীতে ভাৰত আৰু ৱেষ্ট ইণ্ডিজে এখনকৈ প্ৰস্তুতি মেচ খেলিব। দক্ষিণ আফ্ৰিকাই নিজৰ ভিতৰতে অহা ২৯ মে'ত ফ্ল'ৰিডাত প্ৰস্তুতি মেচত অৱতীৰ্ণ হ'ব। ইফালে পাকিস্তান, ইংলেণ্ড আৰু নিউজিলেণ্ড বিশ্বকাপৰ আগে কোনো প্ৰস্তুতি খেলত অংশ নলয়। ভাৰত আৰু বাংলাদেশৰ মাজত হ'বলগীয়া প্ৰস্তুতি খেলৰ এতিয়ালৈকে স্থান ঘোষণা কৰা হোৱা নাই। ইংলেণ্ডৰ মাটিত পাকিস্তানে ৪খনীয়া শৃংখলাত অৱতীৰ্ণ হ'ব। ২২ মে'ৰ পৰা খেলসমূহ আৰম্ভ হ'ব। নিউজিলেণ্ডে পোনে পোনে অহা ৮ জনুত আফগানিস্তানৰ বিৰুদ্ধে টি-২০ বিশ্বকাপৰ অভিযান আৰম্ভ কৰিব।

০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া টি-২০ ক্ৰিকেট খেলখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে কাইলৈ দিনৰ ৩ বজাৰ পৰা নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰী অংশত গধূৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। কাইলৈ গুৱাহাটীৰ আৰ্য নগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ ৩ বজাৰ পৰা ৱানৱে হৈ পৰিব। লালগণেশ তিনিআলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। আনহাতে বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেণপাৰা তিনিআলিলৈও পথছোৱা ৱানৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ থকা বাহনেহে চলাচলৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌ দলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৯৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। লক্ষ্ণৌৰ হৈ নবীন উল হক আৰু আৰ বিষ্ণয়ে দুটাকৈ উইকেট দখল কৰে।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ কালিৰ খেলখনত জয়লাভ কৰাৰ পাছতো প্ৰতিযোগীৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। মুম্বাই ইণ্ডিয়ানছ ইতিপূৰ্বে এই দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০০

ৰাজ্যখনত ১৭৪ মেগাৱাট পৰ্যন্ত বিদ্যুৎ ঘাটিৰ লগতে মে' মাহত বিদ্যুৎ চাহিদাৰ অভিলেখ ভংগৰে বিদ্যুৎ যোগানত শক্তি বিভাগৰ ব্যৰ্থতা উদঙাই এটি বাতৰি প্ৰকাশ কৰিছে **দৈনিক অসম** কাকতে। নিৰ্বাচন হৈ যোৱাৰ ৪৮ ঘণ্টাৰ ভিতৰত ভোটদানৰ হাৰৰ সম্পূৰ্ণ তথ্য কিয় ৱেবচাইটত দাখিল কৰিব নোৱাৰে বুলি উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগক তোলা প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত এটি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে **আমাৰ অসম কাকতে।** দাম বৃদ্ধিৰ পাছতেই মদৰ বিক্ৰী ৩৩ শতাংশ হ্ৰাস হোৱাৰ পিছত ৰাজ্যৰ আবকাৰী বিভাগে মেঘালয় চৰকাৰকো সুৰাৰ দাম বঢ়াবলৈ হেঁচা প্ৰদান কৰা প্ৰসংগত গুৰুত্ব পূৰ্ণ বাতৰি প্ৰকাশ কৰিছে **অসমীয়া প্ৰতিদিন** কাকতে। উত্তৰ প্ৰদেশৰ নিৰ্বাচনী প্ৰচাৰত প্ৰধানমন্ত্ৰীয়ে দেশত তৃতীয়বাৰৰ বাবে পুনৰ এন ডি এ চৰকাৰ গঠন কৰিব বুলি আগবঢ়োৱা মন্তব্য সন্দৰ্ভত **নিয়মীয়া বাৰ্তা** কাকতে বাতৰি প্ৰকাশ কৰিছে। অসমত ১ দশমিক ২-৫ কোটি বাংলাদেশী অনুপ্ৰৱেশকাৰী থকা বুলি মুখ্যমন্ত্ৰীৰ মন্তব্যত তীব্ৰতৰ হৈ উঠা ৰাজনৈতিক প্ৰতিক্ৰিয়াৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে **দৈনিক অগ্ৰদূত** কাকতে। উল্লেখযোগ্য যে, দুদিন পূৰ্বে ঝাৰখণ্ডৰ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ মাজতে সংবাদমেল সংবোধন কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই মন্তব্য প্ৰকাশ কৰিছিল। বহুচৰ্চিত সুৰা কেলেংকাৰী সন্দৰ্ভত ই ডিৰ অভিযোগনামাত প্ৰথমবাৰৰ বাবে ৰাজনৈতিক দলৰ নাম উত্থাপন সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে **দৈনিক জনমভূমি** কাকতে। উল্লেখযোগ্য যে, চাউথ গ্ৰুপে দিয়া ১০০ কোটি টকাৰ ৪৫ কোটি ধন গুজৰাটৰ বিধানসভা নিৰ্বাচনত ব্যৱহাৰ কৰাৰ কাৰণে আইন বলৱৎকাৰী সঞ্চালকালয়ে আম আদমী পাৰ্টিৰ বিৰুদ্ধে এটি অভিযোগ উত্থাপন কৰে। প্ৰস্তাৱিত গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ নিৰ্মাণত ৩ সহস্ৰাধিক গছ ধ্বংসৰ সম্ভাৱণাৰ প্ৰসংগ উত্থাপন কৰি এটি গুৰুত্বপূৰ্ণ প্ৰকাশ কৰিছে **দি আছাম ট্ৰিবিউন** কাকতে। ইষ্ট ৱেষ্ট কৰিডৰৰ অধীনত ২০২৪ বৰ্ষৰ শেষ ভাগলৈ বঙাইগাঁৱৰ পৰা নগাঁওৰ ভিতৰত মুঠ ১০ খন উৰণীয়া সেঁতুৰ নিৰ্মাণ কাৰ্য সম্পন্ন হ'ব বুলি ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজপথ প্ৰাধিকৰণে আগবঢ়োৱা তথ্য সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে **দ্যা চেণ্টিনেল** কাকতে। অনুৰাগীৰ উৎকণ্ঠা, ১৯ মে'ত গুৱাহাটীত আই পি এল চাবলৈ আহিব কিং খান শিৰোনামেৰে এটি বাতৰি প্ৰকাশ কৰিছে **অসমীয়া খবৰ** কাকতে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – প্ৰাক্তন শিক্ষামন্ত্ৰী তথা অগপ নেতা থানেশ্বৰৰ বড়োৰ দেহাৱসান, প্ৰদূষণৰ কবলত দীপৰ বিল- সেউজীয়া হৈ পৰিছে বিলৰ পানী, নিৰ্বাচনী কৰ্তব্যত অৱহেলাৰ অভিযোগত জিলা আয়ুক্তৰ বিৰুদ্ধে গোচৰ দি নিলম্বিত পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, জেনেভাৰ আভ্যন্তৰীন স্থানচ্যুতৰ নিৰীক্ষণ কেন্দ্ৰৰ প্ৰতিবেদনত প্ৰকাশ অসমকে ধৰি দেশৰ ভয়াৱহ অৱস্থা, ডঃ হীৰেণ গোহাঁইলৈ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা, ডুমডুমাত ৩ কিশোৰৰ অপহৰণ, পঞ্চম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানত উত্তৰ প্ৰদেশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত